জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ২২৩/২০২০

# ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৯ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি টেলিফোনযোগে ৰাজ্যৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি কুশল-মংগল কামনা কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে বিশিষ্ট ব্যক্তিসকলক সমাজে সদায় শ্ৰদ্ধাৰে দৃষ্টিৰে চায়। সেয়েহে এই জটিল পৰিস্থিতিৰ সময়ত বিশিষ্ট ব্যক্তিসকলে জনসচেতনতা সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাব পাৰে। ক'ভিড-১৯ প্ৰতিহত কৰাৰ বাবে সমাজৰ এই বিশিষ্ট ব্যক্তিসকলে সামাজিক দূৰত্ব বজাই ৰাখি নিজৰ গৃহতে আবদ্ধ হৈ থাকি যি জনসচেতনতাৰ সৃষ্টি কৰিলে তাৰ বাবে মুখ্যমন্ত্ৰীয়ে বিশিষ্ট ব্যক্তিসকলক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ সম্পৰ্কতো বিশিষ্ট ব্যক্তিসকলক অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে অসীম কুমাৰ দত্ত, ডাঃ উমেশ চক্ৰৱৰ্তী, উলহাস কুলকাৰ্নী, বশিষ্ঠ বুজৰবৰুৱা, গৌৰীশংকৰ চক্ৰৱৰ্তী, মানিক চন্দ্ৰ দাস, নন্দলাল নাথ, ৰাজু মল্লিক, হৰি মুন্ধা, সঞ্জয় কুমাৰ দেৱ, মনোৰঞ্জন প্ৰধান, হেমন্ত ধিং মজুমদাৰ, ভৱেন শইকীয়া, সুনিতা হালদেকৰ, সুৰেন্দ্ৰ তালখেদকৰ আৰু ভৰত কুমাৰৰ সৈতে মত-বিনিময় কৰে।

**প্ৰঃকুঃবঃ/পুঃডেঃ/**
**২৯/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in